# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 11-06-2026

**Time :** 1845 Hrs.

***Assamese Evening Bulletin***
**HEADLINE**

ooooo

১। সমগ্ৰ বিশ্বই অনিশ্চয়তা আৰু অস্থিৰতাৰ সময় পাৰ কৰাৰ মাজতে ভাৰতে আত্মবিশ্বাস আৰু দৃঢ় সংকল্পৰে বিকাশৰ দিশত অগ্ৰসৰ হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰকাশ।

২। অসম-নাগালেণ্ড সীমান্তত তেল আৰু গেছৰ অন্বেষণৰ বাবে কেন্দ্ৰীয় চৰকাৰ, অসম আৰু নাগালেণ্ডৰ মাজত ত্ৰিপাক্ষিক বুজাবুজিৰ চুক্তি।

৩। মৰিগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী অজন্তা নেওগৰ জিলাখনৰ বিভিন্ন উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা।

৪। গোলাঘাট জিলাৰ চাহ বাগিছা অঞ্চলৰ শিক্ষাৰ্থীসকলৰ বাবে চলিত বৰ্ষত ১১খন বিদ্যালয়লৈ সমগ্ৰ শিক্ষা অভিযানৰ অধীনত যাতায়াত সেৱাৰ ব্যৱস্থা।

আৰু

৫। আজিৰেপৰা ১৯ জুলাইলৈ আমেৰিকা, কানাডা আৰু মেক্সিক'ৰ ১৬ টা স্থানত বিশ্বকাপ ফুটবল প্ৰতিযোগিতা।

ooooo

সমগ্ৰ বিশ্বই অনিশ্চয়তা আৰু অস্থিৰতাৰ সময় পাৰ কৰাৰ মাজতে ভাৰতে আত্মবিশ্বাস আৰু দৃঢ় সংকল্পৰে বিকাশৰ দিশত অগ্ৰসৰ হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত আজি নীতি আয়োগৰ পৰিচালনা পৰিষদৰ একাদশ বৈঠকত অধ্যক্ষতা কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ভাৰতে বিকশিত ভাৰতৰ দৰ্শন প্ৰাপ্তিৰ দিশত আগবঢ়াৰ লগে লগে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ সামূহিক দায়বদ্ধতাও বৃদ্ধি পাইছে। ৰাজ্যসমূহৰ মাজত সহযোগিতা, আলোচনা আৰু বিচাৰধাৰাৰ আদান-প্ৰদান হোৱা উচিত বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে এই ক্ষেত্ৰত নীতি আয়োগে এখন মঞ্চ হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে গুণগত মানৰ শিক্ষা, প্ৰয়োজনীয় দক্ষতা আৰু নিয়োগৰ সুযোগ প্ৰদানৰ জৰিয়তে দেশৰ যুৱচামৰ বাবে সঠিক পৰিস্থিতিতন্ত্ৰ গঢ়ি তোলাটো মূলতঃ অগ্ৰাধিকাৰ হ'ব লাগে বুলি মন্তব্য কৰে। তেওঁ লগতে কয় যে বিকশিত ভাৰত নিৰ্মাণৰ যাত্ৰাত সবলীকৃত যুৱ চামে চালিকাশক্তি হিচাপে কাম কৰিব। ভাৰতে বিকাশ আৰু ৰপ্তানিৰ নতুন সুযোগ সৃষ্টিৰ বাবে কেইবাখনো দেশৰ সৈতে মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰিত কৰাৰ কথাও প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। মহিলা নেতৃত্বাধীন বিকাশ বিকশিত ভাৰত দৰ্শনৰ এটা উল্লেখনীয় দিশ বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে মহিলাসকলৰ সম্ভাৱনীয়তা বিকশাই তোলা আৰু দেশৰ উন্নয়নৰ যাত্ৰাত ইন্ধন যোগোৱাৰ বাবে ৰাজ্যসমূহে মহিলাৰ শিক্ষা, দক্ষতা, নিৰাপত্তা আৰু সবলীকৰণত প্ৰাধান্য দিয়া উচিত।

আজিৰ বৈঠকত সমগ্ৰ দেশত উদ্যমশীলতা, দক্ষতা বিকাশ আৰু কৰ্ম সংস্থাপনৰ স্থায়ী সুযোগ সৃষ্টিৰ উপায় সম্পৰ্কে আলোচনা কৰা হৈছে।

বৈঠকত দেশৰ বিভিন্ন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ উপ-ৰাজ্যপালসকলে ভাগ লৈছে। সম্প্ৰতি দিল্লী ভ্ৰমণৰত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাইও বৈঠকত অংশগ্ৰহণ কৰিছে।

ooooo

অসম-নাগালেণ্ড সীমান্তত তেল আৰু গেছৰ অন্বেষণৰ বাবে কেন্দ্ৰীয় চৰকাৰ, অসম আৰু নাগালেণ্ডৰ মাজত আজি নতুন দিল্লীৰ গৃহ মন্ত্ৰালয়ত এখন ত্ৰিপাক্ষিক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হ'ব। অনুষ্ঠানত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, অসমৰ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা, নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ', কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহন আৰু কেন্দ্ৰীয় চৰকাৰ তথা দুয়োখন ৰাজ্যৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকিব। এই চুক্তিখনে অসম-নাগালেণ্ড সীমান্ত অঞ্চলত ব্যাপক পৰিসৰত খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ অন্বেষণ আৰু উৎপাদনৰ দুৱাৰ মুকলি কৰিব বুলি আশা কৰা হৈছে। অঞ্চলটোত মূল্যবান হাইড্ৰ' কাৰ্বনৰো ভাণ্ডাৰ আছে বুলি জনা যায়। অৱশ্যে দুয়োখন ৰাজ্যৰ মাজত দীৰ্ঘদিনীয়া সীমা বিবাদৰ বাবে এতিয়ালৈকে এই সম্পদৰাজিৰ সদ্ব্যৱহাৰ কৰিব পৰা হোৱা নাই। প্ৰস্তাৱিত চুক্তিখনে অৰ্থনৈতিক উন্নয়নৰ নতুন সুযোগ সৃষ্টি কৰি দুয়োখন ৰাজ্যকে একেলগে কাম কৰাত সহায় কৰিব।

ooooo

বাক্সা আৰু বৰপেটা জিলাৰ সীমান্তৱৰ্তী গোবৰ্ধনাত আজি বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে বেকী নৈৰ মথাউৰি নিৰ্মাণৰ কামৰ বুজ লয়। পূৰ্বতে বাক্সা জিলাৰ নাৰায়ণগুৰিৰ পৰা ব্ৰহ্মপুত্ৰলৈ বিশ্ববেংকৰ অনুদানেৰে এই মথাউৰি নিৰ্মাণ কৰা হৈছিল যদিও ৬৪০ মিটাৰ দৈৰ্ঘ্যৰ কাম অসম্পূৰ্ণ হৈ আছিল। এই অসম্পূৰ্ণ অংশৰ নিৰ্মাণ সোনকালে হ'ব বুলি প্ৰকাশ কৰে। অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে অবৈধ খননৰ প্ৰসংগত কয়, যে মথাউৰিৰ কাম কৰোতে বা আন যিকোনো অৱস্থাত অবৈধ খনন কোনো কাৰণতে সহ্য কৰা নহ'ব।

-বাইট(ৰঞ্জিত দাস)-

তেওঁ সাংবাদিক আৰু সচেতন নাগৰিকসকলকো এনে অবৈধ কাৰ্য্য-কলাপ দেখিলে তাৰ ফটো আৰু ভি ডি অ' সামাজিক মাধ্যমত প্ৰকাশ কৰিবলৈ আহ্বান জনায়। অধ্যক্ষ শ্ৰীদাসৰ এই পৰিদৰ্শনকালত বিভাগীয় উচ্চপদস্থ বিষয়া আৰু কৰ্মচাৰীসকলো উপস্থিত আছিল।

ooooo

মৰিগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী অজন্তা নেওগে আজি জিলা উন্নয়ন সমিতিৰ বৈঠকত অংশ লৈ বিভিন্ন বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰে। তেওঁ লোকনিৰ্মাণ বিভাগক মৰিগাঁও চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য অহা বছৰৰ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ লগতে বিভিন্ন বিভাগৰ অভিযন্তাসকলক সময়ে সময়ে নিৰ্মীয়মান প্ৰকল্পসমূহ পৰিদৰ্শন কৰি কামৰ মান পৰীক্ষা কৰাৰ লগতে ২০২৪-২৫ বিত্তীয় বৰ্ষত অনুমোদন লাভ কৰা প্ৰকল্পসমূহৰ কাম ক্ষিপ্ৰতাৰে সম্পূৰ্ণ কৰাৰ বাবেও নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে ২০২২-২৩ বৰ্ষৰ পৰা ২০২৪-২৫ বৰ্ষলৈ অনুমোদিত পথসমূহৰ নিৰ্মাণ কাৰ্য অহা ডিচেম্বৰৰ ভিতৰত সম্পূৰ্ণ কৰি নতুন পথ নিৰ্মাণৰ কাম আৰম্ভ কৰিবলৈ বিভাগক নিৰ্দেশ দিয়ে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ কামৰ পৰ্যালোচনা কৰি তেওঁ পঞ্চায়তীৰাজ ব্যৱস্থা শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। চৰকাৰৰ প্ৰতিখন আঁচনিৰ বিষয়ে যাতে ৰাইজ অৱগত হয় তাৰ বাবে জন প্ৰতিনিধিসকলে প্ৰতি মাহে নিজেই উন্নয়ন খণ্ডলৈ গৈ ৰাইজক সজাগ কৰিব লাগিব বুলিও তেওঁ উল্লেখ কৰে। মৰিগাঁও জিলাত চৰকাৰী সাহায্যৰে মৎস্য উৎপাদনৰ পূৰ্ণ সম্ভাৱনা আছে বুলি উল্লেখ কৰি শ্ৰীমতী নেওগে মীন বিভাগক বৃহৎ পৰিসৰত পৰিকল্পনা কৰিবলৈ আহ্বান জনায়। তেওঁ মহিলা আৰু শিশু বিকাশ বিভাগৰ পৰ্যালোচনা কৰি বেটী বচাও বেটী পঢ়াও অভিযানৰ অধীনত শিক্ষা বিভাগৰ সৈতে লগ হৈ সজাগতা অভিযান চলোৱাৰ বাবেও পৰামৰ্শ আগবঢ়ায়। মন্ত্ৰীগৰাকীয়ে লগতে জিলাখনত বান আৰু খহনীয়া প্ৰতিৰোধী আঁচনিসমূহৰ কাম ক্ষিপ্ৰতাৰে সম্পন্ন কৰাৰ বাবে নিৰ্দেশ দিয়ে।

ooooo

গোলাঘাট জিলাৰ চাহ বাগিছা অঞ্চলৰ শিক্ষাৰ্থীসকলে নিয়মীয়াকৈ বিদ্যালয়লৈ যোৱাটো নিশ্চিত কৰাৰ উদ্দেশ্যে জিলা প্ৰশাসন তথা শিক্ষা বিভাগৰ উদ্যোগত বিশেষ পদক্ষেপ লোৱা হৈছে। জিলাখনত চলিত বৰ্ষত ১১খন বিদ্যালয়ৰ বাবে সমগ্ৰ শিক্ষা অভিযানৰ অধীনত যাতায়াত সেৱাৰ ব্যৱস্থা কৰা হৈছে। আজি আনুষ্ঠানিকভাৱে এই যাতায়াত সেৱাৰ শুভাৰম্ভ কৰা হয়। এই পদক্ষেপৰ অধীনত জিলাখনৰ প্ৰায় ২৫খন বাগিছাৰ ১১খন বিদ্যালয়ৰ ৪৮০ গৰাকী শিক্ষাৰ্থী বিনামূলীয়াকৈ যাতায়াতৰ সুবিধা প্ৰদান কৰা হ'ব। দূৰণিবটীয়া ছাত্ৰ-ছাত্ৰীসকলে কোনো অসুবিধা নোহোৱাকৈ নিৰাপদে বিদ্যালয়লৈ অহা-যোৱাৰ সুবিধা লাভৰ ফলত তেওঁলোকৰ উপস্থিতি নিয়মীয়া হ'ব বুলি আশা কৰা হৈছে।

ooooo

শিৱসাগৰ জিলা শিক্ষা বিভাগে শিক্ষাৰ্থীৰ স্কুল বেগৰ ওজন নিৰ্ধাৰণ কৰি কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি, প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বেগৰ সৰ্বাধিক ওজন ডেৰ কিলোগ্ৰাম, তৃতীয়ৰ পৰা পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ২ৰ পৰা ৩ কিলোগ্ৰামৰ ভিতৰত বা ষষ্ঠ আৰু সপ্তম শ্ৰেণীৰ বাবে চাৰে চাৰি কিলোগ্ৰাম আৰু দশম শ্ৰেণীৰ বাবে সৰ্বাধিক ৫ কিলোগ্ৰাম নিৰ্ধাৰণ কৰা হৈছে। এই সন্দৰ্ভত শিৱসাগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড০ সমীৰণ বৰাই এইদৰে কয় -

-বাইট(সমীৰণ)-

উল্লেখযোগ্য যে, এই নিৰ্দেশনা অমান্য কৰা বিদ্যালয়ৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও পৰিদৰ্শক ড০ বৰাই জানিবলৈ দিয়ে।

ooooo

আকাশবাণী বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত অসমত শান্তিচুক্তিৰ এটা দশক শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত ভাগ ল'ব অসম আৰক্ষীৰ অতিৰিক্ত সঞ্চালক প্ৰধান হীৰেন চন্দ্ৰ নাথ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড০ জয়ন্ত কৃষ্ণ শৰ্মা, ইউ পি পি এলৰ মুৰববী প্ৰমোদ বড়ো, প্ৰাক্তন মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম আৰু সাংবাদিক সঞ্জু বৰাই। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০

চৰাইদেউ জিলাৰ আন্তঃগাঁথনিমূলক উন্নয়ন আৰু আৰ্থ-সামাজিক ভেঁটি শক্তিশালী কৰাৰ লক্ষ্যৰে তেল আৰু প্ৰাকৃতিক গেছ নিগম তথা অইল ইণ্ডিয়া লিমিটেডৰ মুৰব্বী বিষয়াসকলৰ আজি এখন বৈঠক অনুষ্ঠিত হয়। জিলা প্ৰশাসন আৰু জিলাখনৰ নৱ-নিৰ্বাচিত বিধায়কদ্বয়ৰ উপস্থিতিত এই বৈঠক জিলা আয়ুক্তৰ কাৰ্য্যালয়ত অনুষ্ঠিত হয়। বৈঠকত জিলাখনৰ বিভিন্ন খণ্ডত সম্ভাব্য চি এছ আৰ আঁচনিসমূহ ৰূপায়ণ কৰাৰ লগতে বহনক্ষম আৰু অন্তৰ্ভুক্তিমূলক বিকাশৰ পৰিৱেশ গঢ়ি তোলাৰ বিষয়ে আলোচনা কৰা হয়। অনুষ্ঠানত চৰাইদেউৰ জিলা আয়ুক্ত ড০ নেহা যাদৱ, জিলা আৰক্ষী অধীক্ষক সুৰজিৎ সিং পানেচাৰ, মাহমৰা সমজিলাৰ আয়ুক্ত আৰু অতিৰিক্ত জিলা আয়ুক্তৰ লগতে অইল আৰু অ' এন জি চিৰ উচ্চপদস্থ চি এছ আৰ প্ৰতিনিধিসকল আলোচনাত উপস্থিত থাকে।

০০০০০

এন ডি এ চৰকাৰৰ ১২ বছৰীয়া শাসন কালৰ বিশ্বাস, বিকাশ আৰু জনকল্যাণৰ দিশক সুঁৱৰি আজি পশ্চিম কাৰ্বি আংলং জিলাৰ ভকচঙত প্ৰগতি পদযাত্ৰা উলিওৱা হয়। এই পদযাত্ৰাৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত সময়ছোৱাত হোৱা বিকাশ আৰু উন্নয়নৰ শ্লোগান দিয়া হয়। দুৱাৰ-আমলা মণ্ডল বিজেপিৰ উদ্যোগত আয়োজিত প্ৰগতি পদযাত্ৰাত আম্ৰি সমষ্টিৰ বিধায়ক ডাঃ হাবে টেৰণ, পৰিষদীয় সমষ্টিটোৰ পাৰিষদ তথা কাৰ্বি পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰভাত চন্দ্ৰ টাৰো উপস্থিত থাকে।

০০০০০

বিশেষ ন্যায়াধীশৰ আদালতে আজি অসম মীন উন্নয়ন নিগমত সংঘটিত কেলেংকাৰিৰ গোচৰত অভিযুক্ত প্ৰাক্তন বিষয়া পদ্মকান্ত হাজৰিকাৰ জামিন আবেদন নাকচ কৰে। আদালতে আন তিনিজন অভিযুক্ত প্ৰাক্তন বিষয়া নৰেন চন্দ্ৰ বসুমতাৰী, বিৰিঞ্চি অধিকাৰী আৰু জ্যোতিষ শইকীয়াৰ জামিনৰ ৰায় সংৰক্ষিত ৰাখে। উল্লেখযোগ্য যে মীন উন্নয়ন নিগমৰ কেইবা কোটিটকীয়া কেলেংকাৰীৰ গোচৰত দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ে মীন নিগমৰ মুঠ ৯গৰাকী বিষয়াক নিলম্বিত কৰিছিল।

০০০০০

মাজুলী আৰক্ষী আৰু আবকাৰি বিভাগে আজি এহেজাৰ ৫০০ লিটাৰ অবৈধ বিলাতী সুৰা ধবংস কৰে। আদালতৰ নিৰ্দেশ অনুসৰি কমলাবাৰীঘাটৰ সমীপৰ দৰবাৰ চাপৰিত ধবংস কৰা এই বিলাতী সুৰাখিনিৰ মূল্য ১৪ লাখ টকাৰো অধিক বুলি আৰক্ষীয়ে জনাইছে। দীৰ্ঘদিন ধৰি জিলাখনত একাংশ অসাধু ব্যৱসায়ীয়ে সুৰাৰ বেহা চলাই আহিছিল। আৰক্ষীয়ে এই সংক্ৰান্তত ১৯জন ব্যৱসায়ীক আটক কৰাৰ লগতে ১৬টাকৈ গোচৰো ৰুজু কৰিছে। জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক ৰাজশ্ৰী ধনদিয়াই এই সন্দৰ্ভত সাংবাদিকৰ আগত সবিশেষ প্ৰকাশ কৰে।

বাইট

০০০০০

নগাঁও চহৰৰ দাঁতি-কাষৰীয়া অঞ্চলত সঘনে সংঘটিত পথ দুৰ্ঘটনাৰ সমস্যা ৰোধ কৰিবলৈ জিলা আয়ুক্ত দেৱাশীষ শৰ্মা আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাৰ্থ প্ৰতীম দাসে ঘাইপথৰ দুৰ্ঘটনাপ্ৰৱণ অঞ্চলসমূহ পৰিদৰ্শন কৰে। দুৰ্ঘটনা ৰোধ কৰাৰ বাবে জিলা পথ সুৰক্ষা সমিতি, জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে ধাৰাবাহিকভাৱে গ্ৰহণ কৰি অহা পদক্ষেপৰ অংশ হিচাপে চলোৱা এই পৰিদৰ্শন কালত একাংশ লোকে পথৰ ওপৰত অবৈধভাৱে নিৰ্মাণ কৰা ক্ৰছিং আৰু ডিভাইডাৰ ভাঙি সৃষ্টি কৰা বাট আদি দৃষ্টিগোচৰ হয়। ইয়াৰ ফলত পথচাৰীৰ লগতে যাত্ৰীসকলৰ বাবে যাতায়াত বিপজ্জনক হৈ পৰিছে আৰু সঘনাই দুৰ্ঘটনা সংঘটিত হৈ আহিছে। জনসাধাৰণৰ জীৱন সুৰক্ষিত কৰাৰ স্বাৰ্থত জিলা আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকে পথৰ এই অবৈধ ক্ৰছিংসমূহ বন্ধ কৰি উপযুক্ত ব্যৱস্থা গ্ৰহণৰ বাবে সংশ্লিষ্ট বিভাগৰ বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতা আজিৰেপৰা ১৯ জুলাইলৈ আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা আৰু মেক্সিক'ৰ ১৬ টা স্থানত অনুষ্ঠিত হ'ব। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ইতিহাসত এইবাৰ প্ৰথম বাৰৰ বাবে ৩২ খন দেশৰ পৰিৱৰ্তে ৪৮ খন দেশে অংশগ্ৰহণ কৰিব। এই দলসমূহক ১২ টা গ্ৰুপত ভাগ কৰা হৈছে আৰু প্ৰতিটো গ্ৰুপত চাৰিটাকৈ দল থাকিব। প্ৰতিটো গ্ৰুপৰ শীৰ্ষৰ দল দুটাই পোনপটীয়াকৈ নক-আউট পৰ্যায়ত প্ৰৱেশ কৰিব। ইয়াৰ উপৰি তৃতীয় স্থানত থকা দল কেইটাও নক-আউট পৰ্যায়লৈ যোগ্যতা লাভ কৰিব।

প্ৰতিযোগিতাত মুঠ ১০৪ খন খেল অনুষ্ঠিত হ'ব। ইয়াৰে ভিতৰত ৭২ খন গ্ৰুপ পৰ্যায়ত আৰু ৩২ খন নক-আউট পৰ্যায়ৰ খেল আছে। ফাইনেল খেল ১৯ জুলাইত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ উদ্বোধনী খেলত আজি আয়োজক দেশ মেক্সিক', দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

সমাপ্ত